অধ্যায় ৪ ঃ অসমীয়া লিখিত সাহিত্যৰ আৰম্ভণি

অধ্যায় গাঁথনি

৪.১ উদ্দেশ্য
৪.২ পৰিচয়
৪.৩ চর্যাপদ
৪.৪ মিশ্র অসমীয়া সাহিত্য
৪.৪.১ *শ্রীকৃষ্ণ-কীর্ত্তন*
৪.৪.২ *শূন্যপুৰাণ*
৪.৪.৩ নাথ সাহিত্য
৪.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৪.৬ অধিক জানিবলৈ
৪.৭ অগ্রগতিৰ খতিয়ান
৪.৮ আৰ্হি প্রশ্ন

৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- অসমীয়া লিখিত সাহিত্যৰ প্রথম স্বাক্ষৰ চর্যাপদৰ বিষয়ে জ্ঞাত হ'ব
- মিশ্র অসমীয়া সাহিত্যৰ বিষয়ে ধাৰণা লাভ কৰিব
- উদ্ভৱ কালৰ অসমীয়া সাহিত্যৰ বিষয়ে সামগ্রিকভাৱে জ্ঞান অর্জন কৰিব।

৪.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়টোত আপুনি অসমীয়া লোকসাহিত্য সম্পর্কে বহলাই অধ্যয়ন কৰিলে। সেই অধ্যায়টোৰ জৰিয়তে আপুনি অৱগত হ'ল যে ভাষাৰ সৃষ্টিৰ লগে লগেই লিখিত সাহিত্যৰ সৃষ্টি নহয়। বিভিন্ন মৌখিক সাহিত্যৰ সৃষ্টিৰ পৰৱর্তী সময়তহে সাহিত্যই লিখিত ৰূপ পৰিগ্রহ কৰে। অসমীয়া সাহিত্যও ইয়াৰ বাহিৰত নহয়। বিভিন্ন মৌখিক সাহিত্য সৃষ্টি হোৱাৰ পাছতহে অসমীয়া সাহিত্যতো লিখিত সাহিত্যৰ শুভাৰম্ভ ঘটিছে। এই প্রক্রিয়া আৰম্ভ হৈছে চর্যাগীত বা চর্যাপদ নামৰ একশ্রেণী সাহিত্যৰ পৰা। চর্যাপদসমূহৰ সমসাময়িকভাৱে বাংলা আৰু অসমীয়া— এই দুয়োটা ভাষাৰ উমৈহতীয়া কিছুমান লক্ষণ বিশিষ্ট এক শ্রেণীৰ সাহিত্যও ৰচিত হৈছিল আৰু সেইবোৰক 'মিশ্র অসমীয়া সাহিত্য' বুলি কোৱা হয়। *শ্রীকৃষ্ণ-কীর্ত্তন, শূন্যপুৰাণ,* নাথ সিদ্ধাসকলৰ কাহিনী লৈ ৰচিত *ময়নামতী* বা *গোপীচন্দ্রৰ গান* আৰু *গোৰক্ষ বিজয়* বা *মীনচেতন* এই শ্রেণীৰ

ৰচনা। প্রসংগক্রমে উল্লেখযোগ্য যে নাথ সিদ্ধাসকলৰ কাহিনী লৈ ৰচিত এই দুখন পুথিক 'নাথ সাহিত্য' বুলিও অভিহিত কৰা হয়। এইখিনিয়েই হ'ল উদ্ভৱ কালৰ অসমীয়া সাহিত্য বা অসমীয়া লিখিত সাহিত্যৰ আৰম্ভণী কালৰ সমল।

এই অধ্যায়টিত আমি এতিয়া এইকেইবিধ সাহিত্যৰ বিষয়ে বহলাই আলোচনা কৰিম। অধ্যায়টিৰ অধ্যয়নে আপোনাক অসমীয়া লিখিত সাহিত্যৰ আৰম্ভণী কাল সম্পর্কে সম্যক ধাৰণা প্রদান কৰিব।

৪.৩ চর্যাপদ

অসমীয়া ভাষাৰ লিখিত ৰূপৰ প্রথম চানেকি পোৱা যায় চর্যাপদবোৰত। মন কৰিবলগীয়া যে চর্যাপদসমূহ মূলতঃ বৌদ্ধ ধর্মৰ সহজযানী পন্থাৰ ধর্ম সাধনাৰ গীত। সহজযানী বৌদ্ধ সিদ্ধাচার্যসকলে ৰচনা কৰা এই গীতসমূহৰ মাজতে অসমীয়াৰ ভাষাৰ প্রথম সাহিত্যিক নিদর্শন পোৱা গৈছে বুলি সাহিত্যৰ ইতিহাসকাৰসকলে কৈছে। এই পদবোৰৰ ৰচনাকাল অষ্টম শতিকাৰপৰা দ্বাদশ শতিকাৰ ভিতৰত বুলি পণ্ডিতসকলে অনুমান কৰিছে। এই চর্যাপদসমূহ পোন প্রথমবাৰৰ বাবে লোকচক্ষুৰ আগত তুলি ধৰে হৰপ্রসাদ শাস্ত্রীয়ে। প্রসংগক্রমে উল্লেখযোগ্য যে বর্তমান সময়ত সম্পন্ন হোৱা বিভিন্ন গৱেষণাৰ অন্তত চর্যাপদসমূহত অসমীয়া ভাষাৰ উপৰি বাংলা, উড়িয়া, হিন্দী, মৈথিলী আদি ভাষাবোৰ আদি কালৰ নিদর্শন ৰক্ষিত হৈছে বুলি প্রমাণিত হৈছে।

কলিকতাৰ 'এচিয়াটিক ছ'চাইটি'ৰ পুথি সংগ্রহৰ কামত হৰপ্রসাদ শাস্ত্রী কেইবাবাৰো নেপাললৈ গৈছিল। ইয়াৰে ১৯০৭ চনত তৃতীয়বাৰৰ বাবে নেপাললৈ যাওঁতে তাৰে ৰাজ দৰবাৰৰ গ্রন্থাগাৰত সংৰক্ষিত কেইখনমান নতুন পুথি বিচাৰি পায়। তেওঁ তাৰ পৰা *চর্যাচর্যবিনিশ্চয়*, সৰোজৱজৰ *দোহাকোষ*, কৃষ্ণাচার্যৰ *দোহাকোষ* আৰু *ডাকার্ণৱ* নামৰ চাৰিখন পুথি সংগ্রহ কৰি আনে। সেই পুথিকেইখন ১৯১৬ চনত *হাজার বছরের পুরাণ বাঙ্গালা ভাষায় বৌদ্ধগান ও দোহা* নাম দি বঙ্গীয় সাহিত্য পৰিষদৰ দ্বাৰা প্রকাশ কৰি উলিয়ায়। চর্যাগীত (চর্যাপদ) নামৰ সংগ্রহটিৰ মূল নাম আছিল *চর্যাগীতিকোষ*। হৰপ্রসাদ শাস্ত্রীয়ে ইয়াক *চর্যাচর্যবিনিশ্চয়* বুলি নাম দিয়ে। সংক্ষেপে ইয়াকে বোলা হয় চর্যাপদ।



জানি থোৱা ভাল

চর্যাগীতৰ তিব্বতী অনুবাদৰ প্রথম সন্ধান লাভ কৰে সুনীতি কুমাৰ চট্টোপাধ্যায়ে। পৰৱর্তীকালত প্রবোধ চন্দ্র বাগচী, নীলৰতন সেন আদিয়ে চর্যাপদ সম্পর্কে গৱেষণা কৰি বিভিন্ন নতুন নতুন তথ্যৰ সন্ধেদ দিয়ে। বাগচীৰ গৱেষণাৰ কালতেই চর্যাগীতৰ সম্পূর্ণ তিব্বতী অনুবাদটি আৱিষ্কৃত হয় আৰু তাৰ পৰাই সংস্কৃত টীকাকাৰৰ নাম যে মুনিদত্ত আছিল সেয়া গম পোৱা যায়।

এই *চর্যাচর্যবিনিশ্চয়* নামৰ পুথিখনত ৪৬ টা সম্পূর্ণ আৰু এটা খণ্ডিত গীত সন্নিৱিষ্ট হৈছে। প্রসংগক্রমে উল্লেখযোগ্য যে এই পুথিখনত ৫০ টা চর্যা সংকলিত হৈছে বুলি উল্লেখ আছে যদিও ২৪, ২৫ আৰু ৪৮ নম্বৰ চর্যা থকা পাতকেইখিলা নষ্ট হৈছে আৰু ২৩ নম্বৰ চর্যাটোও আংশিকভাৱে নষ্ট হৈছে। এই পুথিখনত সর্বমুঠ ২৪জন সিদ্ধাচার্যৰ দ্বাৰা ৰচিত গীত সন্নিবিষ্ট হৈছে। উল্লেখ্য যে এওঁলোক ৮৪জন তান্ত্রিক সিদ্ধাচার্যৰ অন্তর্ভুক্ত। তেওঁলোকৰ নামসমূহ হ'ল— কাহ্নপাদ (১৩টা চর্যা), ভুসুকপাদ (৮টা), সৰহপাদ, (৪টা), কুক্কুৰীপাদ, (৩টা), লুইপাদ, শবৰপাদ, শান্তিপাদ (এইসকলৰ দুটা), বিৰুৱাপাদ, গুণ্ডৰীপাদ, চাটিল্লপাদ, কম্বলাম্বৰপাদ, ডোম্বীপাদ, মহীধৰপাদ, বীণাপাদ, আর্যদেৱপাদ, ঢেণ্ঢনপাদ, দাৰিকপাদ, ভাদেপাদ, তাড়কপাদ, কংকনপাদ, জয়নন্দীপাদ, ধামপাদ, তন্ত্রীপাদ (তেওঁলোকৰ এটাকৈ চর্যা)। ইয়াৰে লুইপাদ, সৰহপাদ, মীননাথ, শান্তিপাদ, ডোম্বীপাদ, ঢেণ্ঢনপাদ, মহীধৰপাদ আদিক কামৰূপৰ লগত বিশেষ সম্পর্ক থকা বুলি পণ্ডিতসকলে ঠাৱৰ কৰিব খোজে। এওঁলোকৰ বাহিৰেও চর্যাপদ, ইউড়ীপাদ, মীননাথ, আচার্য বিনাত্তক, ধোকৰীপাদ, বিৰুপাক্ষপাদ, তিলোপাদ আদি সিদ্ধাচার্যৰ নামো টীকাত উল্লেখ আছে।

বাঙালী পণ্ডিত কেইজনমানে চর্যাপদবোৰৰ ভাষা কেৱল বাংলা ভাষাৰ আদি নিদর্শন বুলি ক'লেও বর্তমানে প্রমাণ পোৱা গৈছে যে চর্যাপদত বাংলাৰ উপৰি হিন্দী, উড়িয়া, মৈথেলী, অসমীয়া আদি ভাষাৰো নিদর্শন আছে। বাণীকান্ত কাকতিয়ে ইয়াৰ ধ্বনিতাত্ত্বিক আৰু ৰূপতাত্ত্বিক দিশসমূহ ফঁহিয়াই অসমীয়া ভাষাৰ লগত যে মিল আছে সেয়া প্রমাণ কৰি গৈছে। লগতে লুইপাদ, সৰহপাদ আদিৰ দ্বাৰা ৰচিত চর্যাপদকেইটিত অসমীয়া ভাষাৰ আদি নিদর্শন সুস্পষ্ট।

চর্যাপদবোৰৰ বিষয়বস্তু সাঁথৰৰ দৰে ৰহস্যপূর্ণ আৰু জটিল। ইয়াত সাধনতত্ত্বৰ কথা সাংকেতিক ভাষাত লিখা হৈছে। সেইকাৰণে হৰপ্রসাদ শাস্ত্রীয়ে চর্যাপদৰ ভাষাক 'সন্ধ্যাভাষা' বা 'আলো-আঁধারি ভাষা' বুলি কৈছে। গুৰুৰ সহায় নল'লে চর্যাপদবোৰৰ মর্ম উদঘাটন কৰা টান। তেওঁ মন্তব্য কৰিছে — 'সন্ধ্যাভাষা মানে আলো-আঁধাৰি ভাষা, কতক আলো, কতক অন্ধকার, খানিক বুঝা যায়, খানিক বুঝা যায় না।' প্রাচ্যতত্ত্ববিদ মহেশ্বৰ নেওগেও মন্তব্য কৰিছে "....ইচ্ছাকৃত জটিলতা বর্তমান, কাৰণ সেই ভাষা সাংকেতিক, যাৰে তাৰে বাবে নহয়, সি বোবা গুৰুৱে কলা শিষ্যক (গুৰু বোব সে সীস কাল) বুজোৱা কিছুমান ইংগিত মাত্র।" সেয়েহে প্রথম চর্যাতেই গুৰুৰ সহায় ল'বলৈ উপদেশ দিয়া হৈছে — "লুই ভণই গুৰু পুচ্ছিঅ জান।।"

চর্যাপদসমূহ অধিকাংশই দহ শাৰীয়া; তাৰে ভিতৰত ১০,২৮, ৫০ নং চর্যা চৈধ্য শাৰীৰ; ২১, ২২ বাৰ শাৰীৰ; ৩৯ নং ঊনৈশ শাৰীৰ; ১৪ নংটি সাত শাৰীৰ; ২৩ নং ছয় শাৰীৰ; ২৫ নম্বৰটিৰ চাৰিটা শাৰীৰ নমুনাত ছয়টামান শব্দ আছে আৰু ২৪, ৪৮ নম্বৰ চর্যা দুটি লুপ্ত। সাধাৰণতে মাত্রাবৃত্ত ছন্দত লিখা চর্যাসমূহত অন্ত্যানুপ্রাসৰ প্রয়োগ বহুল। এই গীতসমূহ গাবৰ বাবে নির্ধাৰণ কৰি দিয়া হৈছে সর্বমুঠ ১৭টি ৰাগ— পটমঞ্জৰী, গৱড়া (গউড়া), অৰু, গুঞ্জৰী, দেৱক্রী, দেশাখ (দ্বেশাখ), ভৈৰৱী, কামোদ, ধনসী, ৰামক্রী, বৰাড়ী (বলাড্ডী), শৱৰী, মল্লাৰী, মালশী গবুড়া, কাহ্নগুঞ্জৰী আৰু বঙ্গাল। ইয়াৰে প্রায়বোৰেই পুৰণি অসমীয়া গীতত পোৱা যায়। বৰগীতৰ দৰে চর্যাটো ভণিতা আছে আৰু প্রত্যেক পদৰ দ্বিতীয় চৰণটোত ধ্রুং বা 'ধ্রুৱ' বুলি নির্দেশ কৰা হৈছে।

চর্যাপদত মূলতঃ দার্শনিক তত্ত্ব আলোচিত হৈছে। মাজে মাজে যোগ আৰু তান্ত্রিক মতবাদৰো উল্লেখ আছে। মায়া বা অবিদ্যাই হৈছে জীৱৰ দুখৰ কাৰণ। আত্মাজ্ঞান লাভ কৰিব পাৰিলেই জীৱই মুক্তি বা নির্বাণ লাভ কৰিব পাৰে। নির্বাণৰ অর্থ বাসনাৰ নিবৃত্তি বা অহংভাবৰ বিলোপ সাধন। নির্বাণ সুখময়; ই সংসাৰৰ দুখ নাশ কৰে। এই সুখবাদৰ ওপৰতে সহজীয়াসকলে বিশেষ গুৰুত্ব আৰোপ কৰিছে। নির্বাণ মহাসুখত নিমজ্জিত হোৱাই সাধনা তত্ত্বৰ চৰম লক্ষ্য। বহু চর্যাত তাৰ উল্লেখ আছে — "দিঢ় কৰিঅ মহাসুহ পৰিমাণ। / লুই ভণই গুৰু পুচ্ছিঅ জান।।"

সহজীয়াসকলে যোগ বা তান্ত্রিকতাৰ সহায়ত সাধন সম্ভৱ বুলি মানি লৈছিল। সেয়েহে অধিকাংশ চর্যাপদত দার্শনিক তত্ত্বৰ আলোচনা থাকিলেও কিছুমানত তন্ত্র আৰু যোগৰ কথাও উল্লিখিত হৈছে। চর্যাপদৰ বিষয়বস্তু বা গভীৰ তত্ত্বমূলক কথাবোৰ ব্যৱহাৰিক জীৱনত সদায় দেখি থকা বা উপলব্ধি কৰা চিত্রৰ যোগেদি বুজোৱা হৈছে। ফলত ইয়াৰ ভাষা প্রতীকধর্মী হৈ পৰিছে। গীতবোৰত ওপৰে ওপৰে ওলাই থকা অর্থৰ উপৰি আৰু একোটি অন্তর্নিহিত অর্থ থাকে, সেইটোহে তাৰ আচল অর্থ। যেনে— "কাআ তৰুবৰ পঞ্চ বি ডাল।", ইয়াত কাআ (কায়া) অর্থাৎ শৰীৰক গছ আৰু পঞ্চইন্দ্রিয়ক পঞ্চডালৰ লগত তুলনা কৰিছে। ভাষাৰ এনে গূঢ়ার্থলৈ চাই চর্যাপদবোৰক অসমীয়া 'ভকতীয়া ফকৰা' বা 'দেহবিচাৰৰ গীত' বা 'বৰগীত'ৰ লগতহে তুলনা কৰিব পাৰি। কিছুমান চর্যাপদত কপাহ ধুনা, মাছ মৰা, কাপোৰ বোৱা আদি দৈনন্দিন কর্ম বা ঘৰুৱা চিত্রক ৰূপক হিচাপে ব্যৱহাৰ কৰি ধর্মতত্ত্ব ব্যাখ্যা কৰা হৈছে। ৰূপকধর্মী হোৱাত চর্যাপদবোৰত সাহিত্যিক সৌন্দর্য স্পষ্ট হৈ উঠিছে।

মন কৰিবলগীয়া যে চর্যাপদবোৰৰ মাজেৰে সমসাময়িক অসমীয়া সমাজখনৰ বিভিন্ন চিত্রও প্রতিফলিত হৈছে। চর্যাপদ ৰচনাৰ সময়তো দেশত জাতি-ভেদ প্রথা আছিল। নীচ জাতিৰ লোকে উচ্চ জাতিৰ লোকক স্পর্শ কৰাটো গর্হিত কাম বুলি গণ্য কৰা হৈছিল। নৃত্যপৰায়ণা আছিল কাৰণে ডুমুনী, শবৰী আদি তিৰোতাসকলেও ব্রাহ্মণ কুলত ওপজা পুৰুষৰ মন মুগ্ধ কৰিবলৈ সমর্থ হৈছিল। এটি ৰূপাত্মক গীতত কৈছে —

নগৰ বাহিৰি ৰে ডোম্বি তোহাৰি কুড়িআ।
ছোই ছোই জাই সোহ ব্রাহ্মণ নাড়িআ।।

তেনেদৰে অসবর্ণ বিবাহ, যৌতুক ব্যৱস্থা, চৌর্যবৃত্তি, বিবিধ বাদ্যযন্ত্র, হাতী, গৰুৰ গাড়ী, নাও আদিৰ ব্যৱহাৰ, চিকিৎসা-পদ্ধতি, তাঁতশালত কাপোৰ বোৱা, তামোল-পাণৰ ব্যৱহাৰ, চিকাৰ প্রথা আদি বিবিধ সামাজিক চিত্র চর্যাপদৰ মাজেৰে প্রতিফলিত হৈছে। এই চর্যাপদবোৰ অপভ্রংশৰ শেষস্তৰৰ নিদর্শন; অর্থাৎ ই মধ্য আৰু নব্য ভাৰতীয় আর্যভাষাৰ যুগসন্ধিৰ ভাষা। সেয়েহে ইয়াত প্রাকৃত আৰু আধুনিক— এই দুয়োবিধ ভাষাৰ নিদর্শন পোৱা যায়। অসমীয়া ভাষাৰ লগত সাদৃশ্য থকা কেইটিমান দিশ হ'ল— (৪) 'ঋ' ৰ ঠাইত 'অ' আৰু 'উ'ৰ ব্যৱহাৰ; যেনে— 'ঋজু-উজু' কৃত - কৰ। (২) কর্ম কাৰকত 'ক'ৰ ব্যৱহাৰ লোপ; যেনে— দিঢ় কৰিঅ মহাসুহ পৰিমাণ। (৩) বিশেষণ দুবাৰ প্রয়োগ কৰি বহুবচন সৃষ্টি; যেনে — উচা উচা পাবত। (৪) স্ত্রীলিংগৰ ক্ষেত্রত স্ত্রীপ্রত্যয় '-ঈ' আৰু '-নী'ৰ প্রয়োগ; যেনে— বাপুড়ী, শুণ্ডিনী, মালী আদি। ইয়াৰ উপৰি কিছুমান

অতি ঘৰুৱা অসমীয়া শব্দও চর্যাপদত ব্যৱহৃত হৈছে। যেনে— আজি, কুঠাৰ, ঘৰণী, দাপন, ঘৰ, বহল আদি। এই সকলো নিঃসন্দেহে প্রমাণ কৰে যে চর্যাপদ অসমীয়া লিখিত ভাষাৰ আদি নিদর্শন।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ শুদ্ধ নে অশুদ্ধ নির্ণয় কৰক —

ক) *চর্যাচর্যবিনিশ্চয়*ত সর্বমুঠ ৮৪ টা সম্পূর্ণ আৰু এটা খণ্ডিত দোহা আছে।

ঘ) চর্যাপদসমূহত মূলতঃ দার্শনিক তত্ত্ব আলোচিত হৈছে।

.....

প্রশ্ন নং ২ ঃ শুদ্ধ উত্তৰটি বাছি উলিয়াওক —

i) চর্যাপদসমূহ নেপালৰ ৰাজদৰবাৰৰ গ্রন্থাগাৰৰ পৰা সংগ্রহ কৰিছিল—

(ক) হৰপ্রসাদ শাস্ত্রীয়ে (খ) বাণীকান্ত কাকতিয়ে (গ) নীলৰতন সেনে

ii) কোনখন পুথি নেপালৰ ৰাজদৰবাৰৰ গ্রন্থাগাৰৰ পৰা সংগ্রহ কৰা নহয়—

(ক) *চর্যাচর্যবিনিশ্চয়* (খ) সৰোজবজ্রৰ *দোহাকোষ* (গ) *ডাকার্ণৱ* (ঘ) *শূন্যপুৰাণ*

.....

প্রশ্ন নং ৩ ঃ চর্যাপদত অসমীয়া ভাষাৰ কি কি নিদর্শন পোৱা যায়? (৬০ টা শব্দৰ ভিতৰত লিখক)

.....

.....

.....

.....

.....

.....

৪.৪ মিশ্র অসমীয়া সাহিত্য

চর্যাপদৰ ভাষাত যেনেকৈ অসমীয়া, বাংলা, উড়িয়া আদি আধুনিক ভাৰতীয় ভাষাৰ প্রথম নিদর্শন থকা বুলি নিজ নিজ ভাষাৰ পণ্ডিতসকলে দাবী কৰে, তেনেকৈ অসমীয়া আৰু বাংলা ভাষাৰ আদি স্তৰৰ নিদর্শন থকা বুলি দাবী কৰা আন দুখন প্রধান গ্রন্থ হ'ল বড়ু চণ্ডীদাসৰ *শ্রীকৃষ্ণ-কীর্ত্তন* আৰু ৰামাই পণ্ডিতৰ *শূন্যপুৰাণ*। উল্লেখযোগ্য যে বাঙালী লিপিকাৰ আৰু সম্পাদকৰ হাতত পৰি পুথি দুখনৰ পুৰণি অসমীয়া ৰূপ বহু পৰিমাণে বঙলুৱা হৈ পৰিছে। শব্দাৱলী, বৈয়াকৰণিক লক্ষণ আদিৰ ক্ষেত্রত থকা সাদৃশ্যৰ ভেটিত এই দুয়োখন গ্রন্থ অসমীয়া আৰু বাংলা

উভয় ভাষাৰেই উমৈহতীয়া সাহিত্য হিচাপে চিহ্নিত হৈছে। সেয়েহে সত্যেন্দ্রনাথ শর্মাই এই দুয়োখন পুথিকে যথার্থভাৱেই 'বঙলা-অসমীয়া উমৈহতীয়া সাহিত্য' বুলিছে। *শ্রীকৃষ্ণ-কীর্ত্তন* পুথিৰ উদ্ধাৰকর্তা আৰু প্রথম সম্পাদক 'বসন্ত ৰঞ্জন ৰায় বিদ্বদ্বল্লভে' কিতাপখন সম্পাদনা কৰোঁতে বহু মূল পাঠ এৰি গৈছে আৰু নিজাকৈ কিছুমান শব্দৰ পৰিৱর্তন সাধিছে। তথাপি পুথিখনৰ ভাষাৰ মাজে মাজে অসমীয়া শব্দ আৰু বৈয়াকৰণিক গঢ় একেবাৰে লোপ হোৱা নাই। বাণীকান্ত কাকতিয়ে ৰূপতাত্ত্বিক আৰু ধ্বনিতাত্ত্বিক বৈশিষ্ট্যবোৰলৈ লক্ষ্য ৰাখি *শ্রীকৃষ্ণ-কীর্ত্তন*ৰ ভাষা সম্পর্কে যুক্তি দেখুৱাই কৈছে যে এয়া প্রত্ন-বঙলা আৰু প্রত্ন-অসমীয়া কথিত ভাষা— এই ভাষা দুটাৰ এটা মিশ্রিত স্তৰ বা নিদর্শন। ইয়াৰ পাছৰ পৰাহে স্পষ্টভাৱে বাংলা আৰু অসমীয়া ভাষা সুকীয়াকৈ ওলাইছে। সেইদৰে ৰামাই পণ্ডিতৰ *শূন্যপুৰাণ* পুথিখনতো অসমীয়া আৰু বাংলা উভয় ভাষাৰ বিশিষ্ট শব্দাৱলী আৰু ব্যাকৰণৰ গঢ় পৰিলক্ষিত হয়। সেয়ে এই পুথিখনকো 'বঙলা-অসমীয়া উমৈহতীয়া সাহিত্য'ৰ অন্তর্ভুক্ত কৰা হৈছে। এই দুয়োখন পুথিতেই মিশ্র-অসমীয়া ভাষাৰ, অর্থাৎ অসমীয়া-বাংলা ভাষাৰ উমৈহতীয়া সাহিত্যৰ নিদর্শন সংৰক্ষিত হৈ আছে।

৪.৪.১ *শ্রীকৃষ্ণ-কীর্ত্তন*

*শ্রীকৃষ্ণ-কীর্ত্তন*ৰ কবি বড়ু চণ্ডীদাস চতর্দশ শতিকাৰ লোক। বাসুলী বা বাশুলী অর্থাৎ চণ্ডীৰ ভক্ত চণ্ডীদাসৰ ঘৰ বীৰভূমানুৱত আৰু কোনোৰ মতে বাঁকুড়া-চাতনাত। *শ্রীকৃষ্ণ-কীর্ত্তন* এক প্রকাৰ কাহিনী কাব্য আৰু মূলতঃ শৃংগাৰ ৰসাত্মক। ইয়াৰ বিষয়বস্তু 'কৃষ্ণলীলা'। ৰাধা-কৃষ্ণৰ মধুৰ প্রেম-কাহিনী ইয়াত বর্ণিত হৈছে। বিষয়বস্তুৰ বর্ণনাত কবিয়ে ভাগৱতৰ কৃষ্ণলীলা আগত ৰাখিলেও জয়দেৱৰ *গীত-গোবিন্দ*ৰ দ্বাৰাও প্রভাৱিত নোহোৱাকৈ থকা নাই। ইয়াৰ উপৰি গ্রাম্য-জীৱনৰ ৰুচিসাপেক্ষ কৃষ্ণলীলা বিষয়ক কিছুমান কথাও কাব্যখনিৰ প্রধান উপজীব্য। কবিয়ে পুৰাণ আৰু লোককাহিনীৰ পৰা নানা উপাদান সংগ্রহ কৰি কল্পনাৰ ৰহণ সানি এই লৌকিক কাব্যখন ৰচনা কৰিছে। কাব্যখনৰ আৰম্ভণিৰ দুটা পৃষ্ঠা, মাজৰ কেইবাটাও পৃষ্ঠা আৰু শেষৰ পৃষ্ঠাকেইটি নাই; কবিয়ে কাব্যখনৰ কি নাম দিছিল তাকো জনা নাযায়; কিন্তু কাব্যখনৰ উদ্ধাৰকর্তা আৰু প্রথম সম্পাদক বসন্ত ৰঞ্জন ৰায়ে আগৰেপৰা শুনি অহা মতে এইখনক *শ্রীকৃষ্ণ-কীর্ত্তন* নাম দি প্রকাশ কৰাত সেই নামেৰেই কাব্যখন পৰিচিত হয়। তেওঁ ১৯০৯ চনত এই পুথিখন পশ্চিমবংগৰ বাঁকুৰা জিলাৰ বন বিষ্ণুপুৰৰ কাষৰ ক্যাঁকিলা গাঁও নিবাসী দেবেন্দ্রনাথ মুখোপাধ্যায়ৰ ঘৰৰ পৰা উদ্ধাৰ কৰিছিল। পৰৱর্তী সময়ত ১৯১৬ চনত বঙ্গীয় সাহিত্য পৰিষদৰ দ্বাৰা প্রকাশ কৰোৱায়। এই কাব্যখনত অংকীয়া নাটৰ দৰে মাজে মাজে সংস্কৃত শ্লোক আছে আৰু কথোপকথনৰ ভংগী সন্নিৱিষ্ট হোৱাত নাটকীয় গুণ লাভ কৰিছে। কাব্যখনত ১৬১ টা শ্লোক আৰু ৪১৮ টা পদ আছে। মুঠ ১৩ টা খণ্ডত কাব্যখন বিভক্ত। যথা — জন্ম, তাম্বুল, দান, নৌকা, ভাৰ, ছত্র, বৃন্দাবন, কালীয় দমন, বস্ত্রহৰণ, হাৰ, বাণ, বংশী

আৰু ৰাধা-বিৰহ খণ্ড। ভূভাৰ হৰণৰ কাৰণে গোলোকেশ্বৰ বিষ্ণুৱে ধামত অৱতৰণ কৰি ৰাধা চন্দ্রাৱলীৰূপে জন্মলাভ কৰা লক্ষ্মীৰ লগত যি লীলাকার্য কৰিছে, তাৰেই কাব্যিক ৰূপায়ণ পোৱা যায় *শ্রীকৃষ্ণ-কীর্ত্তন*ত।

শ্রীকৃষ্ণ-কীর্ত্তন প্রধানতঃ শৃংগাৰ ৰসাত্মক কাব্য। কবিয়ে বর্ণনাৰ মাজে মাজে বিবিধ অলংকাৰ প্রয়োগ কৰি কাব্যখন অধিক ৰসাল আৰু সাহিত্যিক গুণেৰে সমৃদ্ধ কৰিছে। উদাহৰণস্বৰূপে—

(ক) মেঘ যেহ্ন আষাঢ় শ্রাবণে
ঝৰে তাৰে পানী নয়নে গো।
(খ) আপন গাএৰ মাঁয়ে হৰিণি বিকলী।।

বাংলা ভাষাত ব্যৱহাৰ নোহোৱা অথচ অসমীয়া ভাষাত এতিয়াও প্রচলিত ভালেমান শব্দ বা পদ *শ্রীকৃষ্ণ-কীর্ত্তন*ত পোৱা যায়; যেনে— বাটে বাটে, আছিলা, আই, পেলাইয়া, বিচনি, বুঢ়া, তিৰী, পো, নাতিনী, ঘঁৰিয়াল, লাজ, ঘৰ, পানী ইত্যাদি। অসমীয়াত উত্তম পুৰুষৰ বর্তমান কালৰ ক্রিয়াত 'ওঁ' বা 'উ' (যেনে — জাঁউ, দেখাওঁ, কৈলো); ক্রিয়াৰ আগত নিষেধার্থক 'ন' সংযোগ (নাবোলসি, নহোঁ); অপাদান কাৰকত পঞ্চমী বিভক্তিৰ চিন 'হন্তে'ৰ ব্যৱহাৰ; ভৱিষ্যত ক্রিয়ার্থা ক্রিয়া বুজাবলৈ 'ইত' আৰু 'ইব্' প্রত্যয়ৰ প্রয়োগ অসমীয়া ভাষাৰ স্বকীয় বিশেষত্ব। ধ্বনিতত্ত্ব আৰু ৰূপতত্ত্বৰ ক্ষেত্রত মন কৰিবলগীয়া বিশেষত্ব হ'ল ইয়াৰ প্রতিলিপিত পেটকটা 'ৰ' আৰু 'ৱ'ৰ ব্যৱহাৰ। অৱশ্যে ছপাপুথিত সম্পাদকে এই দুটা বর্ণ পৰিহাৰ কৰিছে। এনেবোৰ বিশেষত্বলৈ চাই সত্যেন্দ্রনাথ শর্মাৰ মত সমর্থন কৰি ক'ব পাৰি যে *শ্রীকৃষ্ণ-কীর্ত্তন*ৰ ভাষাত বঙলুৱা ঠাঁচ থাকিলেও প্রাচীন স্তৰৰ জঁকাটোত অসমীয়া ৰূপ স্পষ্টভাৱে জিলিকি আছে। সেইদৰে উপেন্দ্রনাথ গোস্বামীয়েও পুৰণি অসমীয়া আৰু আধুনিক অসমীয়াৰ লগত *শ্রীকৃষ্ণ-কীর্ত্তন*ৰ শব্দগত আৰু ধাতুগত সাদৃশ্য, আনকি হুবহু মিলবোৰ বহলাই দেখুৱাইছে। পুথিখনিৰ আৱিষ্কাৰক আৰু প্রথম সম্পাদক বসন্ত ৰঞ্জন ৰায়ে ইয়াৰ ভাষা আলোচনা কৰি সেই প্রসংগত ক'বলৈ বাধ্য হৈছে যে পুথিখনে (*শ্রীকৃষ্ণ-কীর্ত্তন*) শেষ লিপিকাৰৰ হাতত পৰাৰ আগতে সম্ভৱতঃ কামৰূপ বা অসম ভ্রমণ কৰি আহিছিল। এইধৰণৰ মন্তব্যই প্রমাণ কৰে, ৰায় মহাশয়েও কামৰূপী বা অসমীয়া ভাষাৰ লগত *শ্রীকৃষ্ণ-কীর্ত্তন*ৰ ভাষাৰ মিল লক্ষ্য কৰিছিল। সেয়েহে ক'ব পাৰি— *শ্রীকৃষ্ণ-কীর্ত্তন*ৰ ভাষাত বঙলুৱা ঠাঁচ থাকিলেও ইয়াৰ মূল বিশেষত্ববোৰত অসমীয়া ভাষাৰ লক্ষণ সুস্পষ্ট।

৪.৪.২ *শূন্যপুৰাণ*

অসমীয়া আৰু বাংলা— এই উভয় সাহিত্যই নিজৰ বুলি দাবী কৰা আন এখন বিশেষ পুথি হ'ল *শূন্যপুৰাণ*। ইয়াৰ ৰচক ৰামাই পণ্ডিত। ধর্মদেৱতাৰ পূজাৰ বিৱৰণ *শূন্যপুৰাণ*ৰ প্রধান উপজীব্য। আশুতোষ ভট্টাচার্যই এই পূজাৰ উৎপত্তি, বিকাশ আৰু

প্ৰকৃতি সম্বন্ধে যি কথা কৈছে, তাৰ পৰা জনা যায়— বংগদেশৰ ৰাঢ় জিলাত এই পূজাৰ উৎপত্তি আৰু বিকাশ হৈছিল আৰু সেই অঞ্চলৰ লোকেই বিশেষভাৱে এই উৎসৱ পালন কৰে। কিন্তু প্ৰাচীন অসমতো ধৰ্মদেৱতাৰ পূজাৰ প্ৰচলন থকাৰ কথা জনা যায়। *কথা-গুৰু চৰিত*ত থকা উল্লেখ, মনকৰৰ *মনসা কাব্য*ত থকা বিৱৰণ আৰু অসমৰ মনসা পূজাত তাৰ আনুষংগিক-অংগৰূপে স্থাপন কৰা ধৰ্মদেৱতাৰ ঘট— এইবোৰে প্ৰমাণ কৰে যে অসমতো পুৰণি কালত ধৰ্মদেৱতাৰ বিশ্বাস আৰু এই পূজা প্ৰচলিত আছিল। অৱশ্যে ধৰ্মদেৱতা আৰু ইয়াৰ পূজা পদ্ধতিৰ যি ৰূপ অসমত প্ৰচলিত, সি *শূন্যপুৰাণ*ত বৰ্ণিত ৰূপতকৈ কিছু বেলেগ।

বাঙালী পণ্ডিতসকলৰ মতে *শূন্যপুৰাণ* একাদশ শতিকাৰ ভিতৰত ৰচিত। ইয়াৰ গোটেইবোৰ অংশ একে সময়তে ৰচিত বুলি সকলোৱে বিশ্বাস নকৰে। কোনো কোনো পণ্ডিতৰ মতে ইয়াৰ অংশবিশেষ ত্ৰয়োদশ শতিকাত ৰচিত। পুৰণি সাহিত্যৰ আন কিছুমান পুথিৰ নিচিনাকৈ *শূন্যপুৰাণ*ৰো অংশ বিশেষ অসম-বংগ উভয় ৰাজ্যত প্ৰচলিত আছিল বুলি ভাবিবৰ অৱকাশ আছে। *শূন্যপুৰাণ*ৰ সৃষ্টিতত্ত্ব লগত অসমীয়া মনসা কবি মনকৰৰ বৰ্ণনাৰ বহুত সাদৃশ্য আছে। *শূন্যপুৰাণ*ৰ ৰচনা কাল সম্বন্ধে অসিত কুমাৰ বন্দোপাধ্যায়ৰ মত এনেধৰণৰ— "যাৰা একে ষোড়শ শতাব্দীৰ ৰচনা বলেন, তাদের অভিমত খুব নির্ভৰযোগ্য নয়।" আনহাতেদি ডিম্বেশ্বৰ নেওগে ভাষামূলক বিচাৰ তথা অসমীয়া মন্ত্ৰ-সাহিত্যৰ লগত ইয়াৰ ভাব-ভাষাৰ মিল দেখুৱাই *শূন্যপুৰাণ*ৰ ৰচনাকাল ত্ৰয়োদশ শতিকাৰ পাছৰ নহয় বুলি মন্তব্য দি গৈছে।

*শূন্যপুৰাণ*ৰ বিষয়বস্তু আৰম্ভ হৈছে সৃষ্টি পত্তনৰ অধ্যায়েৰে। 'শ্ৰীশ্ৰী ধৰ্ম্মায় নমঃ' বুলি প্ৰণিপাত জনাই বিষয়বস্তুৰ আৰম্ভ কৰিছে। বঙ্গীয় সাহিত্য পৰিষদে প্ৰকাশ কৰা *শূন্যপুৰাণ*খনত সৰ্বমুঠ ৫৬ টা অধ্যায় আছে আৰু ইয়াৰে ৫ টা অধ্যায় সৃষ্টি পাতনি সম্বন্ধে আৰু বাকীকেইটাত ধৰ্মপূজাৰ বিবিধ পদ্ধতি সম্পৰ্কে বহলাই আলোচনা কৰিছে।

এই প্ৰসংগত বিশেষভাৱে উল্লেখযোগ্য কথা এই যে অসমীয়া কবি মনকৰৰ *মনসা কাব্য*ৰ খণ্ডবিশেষৰ লগত *শূন্যপুৰাণ*ৰ অংশ বিশেষৰ স্পষ্ট সাদৃশ্য লক্ষণীয়। এই কথাৰ উপৰি বিশেষকৈ ভাষাৰ ঠাঁচেও বুজায় *শূন্যপুৰাণ* পঞ্চদশ-ষোড়শ শতিকাৰ ৰচনা। *শূন্যপুৰাণ*ক বাংলা ভাষাৰ অন্তৰ্গত বুলি বাঙালী পণ্ডিতসকলে কৈছে যদিও ইয়াৰ ভাষাৰ লগত অসমীয়া ভাষাৰ সাদৃশ্য উলাই কৰিবলগীয়া বিধৰ নহয়। অসমীয়া শব্দ আৰু অসমীয়া ব্যাকৰণৰ ঠাঁচে পুথিখনৰ ভাষা যে অসমীয়া ভাষাৰ ওচৰ চাপিছে; এই কথা প্ৰমাণ কৰিছে। যেনে— 'ব্ৰহ্মাবিষ্ণু নাছিল নাছিল আঁৰৰ', 'ৰজনী পৰভাতে ভিখাৰ লাগি যাই', 'কুথাত্ৰ পাই কুথাত্ৰ নাপাই', 'অন্নৰ বিহনে পৰভূ কত দুখ পাব' আদিবোৰ অসমীয়া ঠাঁচৰ বাক্য; ইয়াৰ শব্দবিলাকো অসমীয়া। ইয়াৰ উপৰি অসমীয়াৰ প্ৰথমা বিভক্তিৰ চিন '-এ', ষষ্ঠীৰ '-ৰ', সপ্তমীৰ '-ত' আদি শব্দবিভক্তিৰ উপৰি বহুত

অসমীয়া ক্রিয়া বিভক্তিৰ ব্যৱহাৰেও অসমীয়া ভাষাৰ লগত *শূন্যপুৰাণ*ৰ ভাষাৰ মিল দেখুৱায়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৪ ঃ *শ্রীকৃষ্ণ-কীর্ত্তন* আৰু *শূন্যপুৰাণ* কোন শ্রেণীৰ গ্রন্থ? এই গ্রন্থ দুখনি কোনে ৰচনা কৰিছিল?

.....

.....

প্রশ্ন নং ৫ ঃ *শূন্যপুৰাণ* পুথিখনত লিপিবদ্ধ আছে .....পূজাৰ কথা।

৪.৪.৩ নাথ সাহিত্য

প্রাক্-বৈষ্ণৱ যুগৰ লোকধর্ম প্রভাৱান্বিত সাহিত্যিক নিদর্শন ৰূপে নাথ সাহিত্যক উল্লেখ কৰিব পাৰি। *ময়নামতী* বা *গোপীচন্দ্রৰ গান* আৰু *গোৰক্ষ বিজয়* বা *মীনচেতন* নামৰ আখ্যানমূলক দুখন পুথিৰ কথা এই প্রসংগত উল্লেখনীয়। কাব্যিক ৰূপত প্রকাশিত এই দুই আখ্যানৰ লগত নাথধর্মৰ সম্বন্ধ আছে। কোনো কোনোৰ মতে নাথধর্ম বৌদ্ধতান্ত্রিক আৰু কোনো কোনোৰ মতে শৈৱ সম্প্রদায়ৰ অন্তর্গত। নাথধর্ম সর্বভাৰতীয় সিদ্ধাচার্যসকলৰ ধর্মমতৰ অন্তর্গত বুলিও ধৰা হয়।

নাথসিদ্ধাচার্যসকলৰ আৱির্ভাৱ কাল খ্রীষ্টীয় দশম-একাদশ শতিকা। নাথ সম্প্রদায়ৰ ধর্ম আৰু গৌৰৱ প্রকাশক কিছুমান পুথি সেইকালতে ৰচিত হৈছিল। তাৰ ভিতৰত *ময়নামতী* আৰু *গোৰক্ষ বিজয়* নামৰ দুখন পুথি বঙ্গদেশৰ উত্তৰ-পূর্বাঞ্চলত আৱিষ্কৃত হৈছে। সেই পুথিকেইখন বাঙালী পণ্ডিতৰ সম্পাদনাত প্রকাশিত হৈ বাংলা সাহিত্যৰ অন্তর্ভুক্ত হৈছে। বংগদেশৰ উত্তৰ-পূর্বাঞ্চল যিহেতুকে অষ্টাদশ শতিকাৰ আদিভাগলৈকে পুৰণি কামৰূপ ৰাজ্যৰ অন্তর্ভুক্ত আছিল, সেয়ে এই দুই পুথি মূলতঃ কামৰূপী ভাষাতেই ৰচিত হোৱাটো অস্বাভাৱিক নহয়। শশীভূষণ দাসগুপ্তই তেওঁৰ *Obscure Religious Cults of Bengal* নামৰ গ্রন্থত কৰা প্রাসংগিক মন্তব্য এই যে ত্রয়োদশ শতিকাত মুছলমানে বঙ্গদেশ জয় কৰাৰ আগতে গোৰক্ষনাথ আৰু গোপীচন্দ্রৰ কাহিনী বর্তমান ৰূপত নহ'লেও অন্ততঃ কাহিনীৰ জঁকা দুটা সম্ভৱ বংগদেশৰ উপৰি ভাৰতৰ বিভিন্ন ঠাইত প্রচলিত আছিল। দ্বাদশ-ত্রয়োদশ শতিকাত উত্তৰ-পূব বংগৰ ভাষা বাংলাতকৈ অসমীয়াৰ বেছি ওচৰ চপা আছিল। গতিকে সেই সময়তে ৰচিত হোৱা কাহিনী দুটাৰ ভাষাত অসমীয়া ৰূপ বাংলা ভাষাৰ প্রভাৱত ক্রমে পৰিৱর্তন হৈ সপ্তদশ শতিকামানত বাঙালী লেখকৰ হাতত বর্তমানৰ ৰূপ পৰিগ্রহ কৰিছে। তথাপি ইয়াৰ মাজতো উক্ত গ্রন্থকেইখনত অসমীয়া ভাষাৰ বিশেষত্ব সুস্পষ্ট। বসন্তৰঞ্জন ৰায়

আৰু দীনেশচন্দ্ৰ সেন সম্পাদিত *গোপীচন্দ্ৰৰ গান* একাধিক ক্ৰমাগত সংগ্ৰহৰ ফল বুলিব পাৰি। তেওঁলোকৰ পূৰ্বে ভৱানী দাস আৰু সুকুৰ মামুদে গোপীচন্দ্ৰৰ গানৰ দুটা খণ্ডৰ পাঠ ৰচনা কৰি উলিয়াইছিল। সেই পাঠৰ আধাৰতে ৰায় আৰু সেনে ১৯২২-২৪ খ্ৰীঃত এই পুথিখন সম্পাদনা কৰি প্ৰকাশ কৰে। ভাষাৰ ফালৰপৰা পুথিখন সপ্তদশ শতিকাৰ আগৰ নহয় বুলি স্বীকৃত, কিন্তু কথাবস্তুৰ ফালৰপৰা দশম-একাদশ শতিকাৰ পটভূমিত আধাৰিত। সমালোচকসকলে *গোপীচন্দ্ৰৰ গান*ৰ ৰূপ, গঠনৰীতি, বিষয়বস্তু আদিৰ ফালৰ পৰা বিচাৰ কৰি ইয়াক মালিতা বা কাহিনীগীত আখ্যা দিব পাৰি বুলি মন্তব্য আগবঢ়াইছে। ইয়াত এটা কাহিনী বৰ্ণিত হৈছে।

বাঙালী পণ্ডিতসকলে বাংলা সাহিত্যৰ অন্তৰ্গত বুলি ধৰি লোৱা দুয়োটা আখ্যান কাব্যৰ মাজত অসমীয়া শব্দৰ বহুল প্ৰয়োগ তথা অসমীয়া ভাষাৰ প্ৰকাশৰীতি দেখিবলৈ পোৱা যায়। উদাহৰণস্বৰূপে *গোপীচন্দ্ৰৰ গান*ৰ পৰা কেইটামান দৃষ্টান্ত উদ্ধৃত কৰা হ'ল—

শব্দ ঃ আই, আউলীয়া, আচুৰি-পিচুৰি, ঘঁৰিয়াল, চুৰাপাত, টোকৰ, ডাঙৰ, ঠেং, বৰুৱা আদি।

ভাষাগত ঃ (ক) স্ত্ৰীপুত্ৰ কান্দে বাচা ঠাণ্ডাপানী পিয়ে।
কুখ্ ধৰণী মায়ে কান্দে যাবৎ প্ৰাণ জীয়ে।।

(খ) নাঙল বেচায়, জোঙাল বেচায় আৰু বেচায় ফাল।
খাজনাৰ তাপত বেচায় দুধৰ ছৱাল।।

মীনচেতন বা *গোৰক্ষ বিজয়* গ্ৰন্থত সিদ্ধাচাৰ্য মীননাথে মহাদেৱৰ শাপত মহাজ্ঞান পাহৰি কন্দলী ৰাজ্যত নাৰীৰ মোহপাশত আবদ্ধ হৈ থাকোঁতে শিষ্য গোৰক্ষনাথে গুৰুক কন্দলী ৰাজ্যৰ পৰা উদ্ধাৰ কৰি অনাৰ কাহিনী লিপিবদ্ধ হৈছে। এইখন পুথিৰ মাজতো অসমীয়া শব্দাৱলী আৰু অসমীয়া বাক্য গঠনৰ ঠাঁচ দেখিবলৈ পোৱা যায়। মুঠতে, নাথ সাহিত্য সম্বন্ধে ক'ব পৰা যায়— ইয়াৰ বৰ্তমান মুদ্ৰিত ৰূপৰ আদিম ৰূপটো বা প্ৰাচীন মূল ৰূপটোৰ মাজত অসমীয়া ভাষাৰ বিশেষত্ব প্ৰকাশ নোহোৱাকৈ নাথাকে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৬ ঃ নাথ সাহিত্য হিচাপে পৰিচিত অসমীয়া ভাষাত কেইখন পুথি পোৱা যায়?

.....



৪.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- অসমীয়া ভাষাৰ লিখিত ৰূপৰ প্ৰথম চানেকি পোৱা যায় চৰ্যাপদসমূহত। চৰ্যাপদসমূহ মূলতঃ বৌদ্ধ ধৰ্মৰ সহজযানী পন্থাৰ ধৰ্ম সাধনাৰ গীত। সহজযানী বৌদ্ধ সিদ্ধাচাৰ্যসকলে ৰচনা কৰা এই গীতসমূহৰ মাজতে অসমীয়াৰ ভাষাৰ প্ৰথম সাহিত্যিক নিদৰ্শন পোৱা গৈছে বুলি সাহিত্যৰ ইতিহাসকাৰসকলে কৈছে। এই পদবোৰৰ ৰচনাকাল অষ্টম শতিকাৰপৰা দ্বাদশ শতিকাৰ ভিতৰত বুলি পণ্ডিতসকলে অনুমান কৰিছে।
- *শূন্যপুৰাণ, শ্ৰীকৃষ্ণ-কীৰ্ত্তন* আৰু নাথ সাহিত্যৰ অন্তৰ্ভুক্ত *ময়নামতী* বা *গোপীচন্দ্ৰৰ গান* আৰু *গোৰক্ষ বিজয়* বা *মীনচেতন* নামৰ আখ্যানমূলক পুথি দুখনত অসমীয়া আৰু বাংলা দুয়োটা ভাষাৰে নিদৰ্শন পোৱা যায় বাবে এইবোৰক 'মিশ্ৰ অসমীয়া সাহিত্য' বুলি কোৱা হয়।
- *শ্ৰীকৃষ্ণ-কীৰ্ত্তন* এক প্ৰকাৰ কাহিনী কাব্য আৰু মূলতঃ শৃংগাৰ ৰসাত্মক। ইয়াৰ বিষয়বস্তু 'কৃষ্ণলীলা'। ৰাধা-কৃষ্ণৰ মধুৰ প্ৰেম-কাহিনী ইয়াত বৰ্ণিত হৈছে।
- অসমীয়া আৰু বাংলা— এই উভয় সাহিত্যই নিজৰ বুলি দাবী কৰা আন এখন বিশেষ পুথি হ'ল *শূন্যপুৰাণ*। ইয়াৰ ৰচক ৰামাই পণ্ডিত। ধৰ্মদেৱতাৰ পূজাৰ বিৱৰণ *শূন্যপুৰাণৰ* প্ৰধান উপজীব্য।
- প্ৰাক্-বৈষ্ণৱ যুগৰ লোকধৰ্ম প্ৰভাৱান্বিত সাহিত্যিক নিদৰ্শন ৰূপে নাথ সাহিত্যক উল্লেখ কৰিব পাৰি। *ময়নামতী* বা *গোপীচন্দ্ৰৰ গান* আৰু *গোৰক্ষ বিজয়* বা *মীনচেতন* নামৰ আখ্যানমূলক দুখন পুথিৰ কথা এই প্ৰসংগত উল্লেখনীয়। কাব্যিক ৰূপত প্ৰকাশিত এই দুই আখ্যানৰ লগত নাথধৰ্মৰ সম্বন্ধ আছে।



৪.৬ অধিক জানিবলৈ

১) গোস্বামী, প্ৰফুল্লদত্ত (১৯৯৪); *অসমীয়া জন-সাহিত্য;* গুৱাহাটী ঃ বাণী প্ৰকাশ।

২) গোস্বামী, যতীন্দ্ৰনাথ (১৯৯৪); *অসমীয়া সাহিত্যৰ চমু বুৰঞ্জী;* গুৱাহাটী ঃ মণি-মাণিক প্ৰকাশ।

৩) নেওগ, মহেশ্বৰ (২০০০); *অসমীয়া সাহিত্যৰ ৰূপৰেখা;* গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।

৪) শৰ্মা, সত্যেন্দ্ৰনাথ (২০০৬); *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত;* গুৱাহাটী ঃ সৌমাৰ প্ৰকাশ।

৫) হাজৰিকা, পৰীক্ষিত (১৯৮৭); *চর্য্যাপদ;* গুৱাহাটী ঃ ডালিমী প্রকাশ।

৬) হাজৰিকা, বিশ্বেশ্বৰ (অনুবাদ, ২০০২); *অসমীয়া ভাষাৰ গঠন আৰু বিকাশ* (Banikanta Kakati: Assamese It's Formation and Development); গুৱাহাটী ঃ বীণা লাইব্রেৰী।

৭) হাজৰিকা, বিশ্বেশ্বৰ (সম্পাঃ) (২০০৩); *অসমীয়া সাহিত্যৰ বুৰঞ্জী (প্রথম খণ্ড);* গুৱাহাটী ঃ আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি সংস্থা।

৪.৭ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ গ) অশুদ্ধ ঘ) শুদ্ধ

২ নং প্রশ্নৰ উত্তৰ ঃ i) (ক) ii) (ঘ)

৩ নং প্রশ্নৰ উত্তৰ ঃ চর্যাপদত অসমীয়া ভাষাৰ নিদর্শন থকা কেইটিমান দিশ হ'ল— (৪) 'ঋ' ৰ ঠাইত 'অ' আৰু 'উ'ৰ ব্যৱহাৰ; যেনে—ঋজু - উজু (২) বিশেষণ দুবাৰ প্রয়োগ কৰি বহুবচন সৃষ্টি; যেনে — উচা উচা পাবত। (৩) স্ত্রীলিংগৰ ক্ষেত্রত স্ত্রীপ্রত্যয় '-ঈ' আৰু '-নী'ৰ প্রয়োগ ; যেনে— বাপুড়ী, মালী আদি। ইয়াৰ উপৰি কিছুমান অতি ঘৰুৱা অসমীয়া শব্দও চর্যাপদত ব্যৱহৃত হৈছে। যেনে— আজি, কুঠাৰ, ঘৰণী, দাপন, ঘৰ, বহল আদি।

৪ নং প্রশ্নৰ উত্তৰ ঃ *শ্রীকৃষ্ণ-কীর্ত্তন* আৰু *শূন্যপুৰাণ* মিশ্র- অসমীয়া বা অসমীয়া বাংলা উমৈহতীয়া শ্রেণীৰ গ্রন্থ। এই গ্রন্থ দুখনি ক্রমে বড়ু চণ্ডীদাস আৰু ৰামাই পণ্ডিতে ৰচনা কৰিছিল।

৫ নং প্রশ্নৰ উত্তৰ ঃ ধর্মদেৱতাৰ পূজাৰ কথা।

৬ নং প্রশ্নৰ উত্তৰ ঃ অসমীয়া ভাষাত নাথ সাহিত্য হিচাপে পৰিচিত দুখন পুথি পোৱা যায়।

৪.৮ আৰ্হি প্রশ্ন

ক) বস্তুধর্মী প্রশ্ন

প্রশ্ন ১ ঃ *শূন্যপুৰাণ* গ্রন্থখনি কোনে ৰচনা কৰিছিল?

প্রশ্ন ২ ঃ বড়ু চণ্ডীদাসে ৰচনা কৰা গ্রন্থখনৰ নাম কি?

খ) চুটি প্ৰশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ মিশ্ৰ অসমীয়া সাহিত্য মানে কি বুজে বহলাই লিখক ।

প্ৰশ্ন ২ ঃ চমুটোকা লিখক—

(১) *শ্ৰীকৃষ্ণ-কীৰ্ত্তন* (২) মন্ত্ৰ-সাহিত্য (৩) বিয়াগীত

গ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ চৰ্যাপদসমূহৰ বিষয়বস্তুৰ আভাস দি ইয়াৰ দাৰ্শনিক তত্ত্ব সম্পৰ্কে বহলাই আলোচনা কৰক।

প্ৰশ্ন ২ ঃ মিশ্ৰ অসমীয়া সাহিত্য সম্পৰ্কে এটি আলচ যুগুত কৰক।

প্ৰশ্ন ৩ ঃ *শ্ৰীকৃষ্ণ কীৰ্ত্তন* আৰু *শূন্যপুৰাণৰ* পৰিচিতি প্ৰদান কৰি ইয়াক অসমীয়া সাহিত্যৰ আদিতম নিদৰ্শন হিচাপে কিয় কোৱা হয় সেয়া প্ৰতিপন্ন কৰক।

*** ***** ***